# ধানৰ জাত বাচনি

www.rkbassam.in

Rice Fact Sheet

ভাল উৎপাদন পাবলৈ স্থানীয় পৰিৱেশৰ লগত খাপ খোৱা, অধিক উৎপাদনক্ষম আৰু বানিজ্যিক ভাৱে গ্ৰহণযোগ্য ধানৰ জাত খেতিৰ বাবে বাচনি কৰিব লাগে।

**জাত এটি খেতিৰ বাবে বাচনি কৰোঁতে মন কৰিবলগীয়া কথা**

- উন্নত মানদণ্ডৰ চাউল (চাউলৰ বৰণ, আকাৰ, সোৱাদ, গোন্ধ ,ধান কুটুৱাৰ পিছত পোৱা চাউলৰ পৰিমাণ আদি) লগতে কৃষকৰ দ্বাৰা সমাদৃত, স্বীকৃত আৰু বজাৰত উচিত মূল্য প্ৰাপ্ত চাউলৰ ধানৰ জাত বাচনি কৰিব লাগে ।
- যিবোৰ জাতৰ অধিক উৎপাদন হয় আৰু দীঘলীয়া সময়ৰ বাবে উৎপাদন অটুত থাকে।
- যিবোৰ জাতে এলেকা ভিত্তিক প্ৰাদুৰ্ভাৱ হোৱা বিভিন্ন ৰোগ, অনিষ্টকাৰী পোক পতংগ আদিৰ আক্ৰমণ প্ৰতিৰোধ কৰিব পাৰে বা সহ্য কৰাৰ ক্ষমতা থকা বা খৰাং, বানপানী আদিৰ দৰে চাপৰ সময়তো নিজৰ উৎপাদন ক্ষমতা অক্ষুন্ন ৰাখিব পাৰে।
- খেতিকাল অনুযায়ী সঠিক কৃষিকালৰ জাত বাচনিৰ দৰকাৰ। এচৰৰ খেতি পথাৰত খেতি কৰা জাতবোৰতকৈ আগতীয়া বা নুমলীয়াকৈ ৰোপণ বা চপাবলগীয়া জাত সদায় এৰাই চলিব লাগে। ইয়াৰ দ্বাৰা অনিষ্টকাৰী পোক পতংগৰ পৰা লগতে প্ৰতিকুল বতৰৰ পৰা হাত সাৰিব পাৰি।
- অধিক পোখা দিব পৰা জাত ।
- খেতিয়কে সাধাৰণতে ধাননিত লোৱা ব্যৱস্থাপনা সমূহৰ পিছত যাতে গছ জোপা বাগৰি নপৰাকৈ থকাৰ ক্ষমতা থাকে ।

**ধাননিত লোৱা ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিবেচনা কৰিবলগীয়া বিষয় সমূহ ঃ**

- ধান ৰোপণ পদ্ধতিৰ লগত খাপ খোৱা জাত নিৰ্বাচন কৰিব লাগে । যেনে - কি ছুমান জাতৰ কঠীয়া নপৰাকৈ পোনে পোনে মূল পথাৰত ছটিয়ালে সুফল পোৱা যায়।
- অধিক উৎপাদনৰ বাবে উন্নত বীজৰ ব্যৱহাৰ কৰিব লাগে।
- বীজৰ চাহিদা অনুযায়ী স্থানীয় ভাবে প্ৰয়োজনীয় পৰিমাণৰ বীজ উপলব্ধ হোৱাটো নিশ্চিত কৰিব লাগে।
- স্থানীয় জৈৱ বৈচিত্ৰতাৰ লগত খাপ খোৱা জাত ব্যৱহাৰ কৰিব লাগে । এনে জাতবোৰৰ পোক পতংগ আৰু বেমাৰৰ প্ৰতি ৰোধ ক্ষমতা থাকে ।

**নতুন জাতৰ মূল্যায়ণঃ**

- উৎপাদন ক্ষমতাৰ ধাৰাবাহিকতা, বেমাৰ-আজাৰ, পোক-পতংগৰ আক্ৰমণ প্ৰতিৰোধ ক্ষমতা বা সহনশীলতা আৰু স্থানীয় পৰিৱেশৰ লগত খাপ খাব পৰা ক্ষমতাৰ পৰীক্ষা কৰিবলৈ অতি কমেও তিনি বছৰ কৃষকৰ পথাৰতপৰ্যবেক্ষণ কৰিব লাগে।
- নতুন জাত মূল্যায়ন কৰিবলৈ কৃষকে অৱলম্বন কৰা পদ্ধতি ব্যৱহাৰ কৰিব লাগে। উদাহৰণ স্বৰূপে কৃষকে কম পৰিমাণৰ ৰাসায়নিক সাৰ যদি প্ৰয়োগ কৰে তেন্তে নতুন জাতটো অধিক ৰাসায়নিক সাৰ ব্যৱহাৰ কৰা পথাৰত মূল্যায়ণ কৰিব নালাগে। কৃষকে যদি পোনপটীয়াকৈ মূল পথাৰত ধান সিঁচে তেন্তে জাতটি ৰোপণপদ্ধতিত কেতিয়াও মূল্যায়ণ কৰিব নালাগে।
- এটা নতুন জাত মুকলি কৰি দিয়াৰ আগতে জাতটোৰ উপযুক্ততা নিশ্চিত কৰিবৰ বাবে কৃষকৰ লগত আলোচনা কৰিব লাগে।
- জাতটিৰ চাউল বোৰ গুণগত মানদণ্ডৰ হোৱাৰ লগতে বজাৰৰ মূল্য আৰু চাহিদা থাকিব লাগে ।
- কৃষকে নতুন জাত এটি পৰীক্ষা কৰিবলৈ পথাৰৰ এটা অংশহে ব্যৱহাৰ কৰা উচিত যাতে তেঁওলোক কোনো ধৰণৰ বিপদত নপৰে।








Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-Share Alike 3.0 (Unported)*